*Total number of printed pages–3*

**14 (ASM-4) 4026**

**2018**

**ASSAMESE**

Paper : ASM-4026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৮ নং আৰু যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা।*

১। কম্পিউটাৰগত বা গাণনিক ভাষাবিজ্ঞান (Computational Linguistics) বুলিলে কি বুজা? প্ৰয়োগ ভাষাবিজ্ঞানৰ শাখা হিচাপে ইয়াৰ এটি চমু পৰিচয় দিয়া। ১৫

২। বাক্ বিন্যাস বা কথা বিশ্লেষণ বুলিলে কি বুজা? এটা পাঠৰ আধাৰত কথা বিশ্লেষণৰ গঠন সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা। ১৫

*Contd.*

REDMI NOTE 5 PRO

৩। অভিধান প্রণয়নৰ কলা-কৌশল সম্পৰ্কে উদাহৰণৰ সহ আলোচনা কৰা। ১৫

৪। কথন বুলিলে কি বুজা? কথনৰ বিচাৰত কোনবোৰ উপাদান ক্ৰিয়াশীল হৈ থাকে আলোচনা কৰা। ১৫

৫। অভিধানৰ শ্ৰেণী বিভাজনৰ ভিত্তি কি উল্লেখ কৰি অভিধান সমূহৰ আভাস দিবলৈ চেষ্টা কৰা। ১৫

৬। "ভাষা শিক্ষণৰ পদ্ধতি নিৰ্ণয়ৰ ক্ষেত্ৰত সমাজ ভাষাবিজ্ঞানৰ জ্ঞান অপৰিহাৰ্য।" — ব্যাখ্যা কৰা। ১৫

৭। স্বাভাৱিক ভাষা প্ৰক্ৰিয়া (Natural Language Processing) ত ভাষাৰ কোনবোৰ দিশ বিশ্লেষণ কৰা হয়, আলোচনা কৰা। ১৫

৮। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) প্ৰসঙ্গ-নিৰপেক্ষ ব্যাকৰণ (Context free grammar)

(খ) দ্বিতীয় ভাষা আহৰন (Second language acquisition)



(গ) অভিধানৰ গাঁঠনি

(ঘ) পদচ্ছেদন (Parsing)

(ঙ) ব্যাকৰণ আৰু অনুবাদ (Grammar and Translation) ভাষা-শিক্ষণ পদ্ধতি

(চ) সংযুতি (Cohesion) আৰু সংহত (Coherence)ৰ ধাৰনা।

---

Paper : ASM-4046 (Elective)

***(Assamese Short Stories)***

*Full Marks : 80*

১। (ক) সাম্প্ৰতিক যুগৰ চুটিগল্পত বিষয়বস্তু আৰু কলা-কৌশলৰ অভিনৱত্ব কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা। ১৪

*অথবা*

(খ) অসমীয়া চুটিগল্পত পশ্চিমীয়া দৰ্শনৰ প্ৰভাৱৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা। ১৪

২। (ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়ন্তী' গল্পটোত ঐতিহাসিক দিশৰ কোনবোৰ কথা প্ৰকাশ পাইছে বিচাৰ কৰা। ১৪

*অথবা*

(খ) "লক্ষ্মীধৰ শৰ্মাৰ গল্পসমূহৰ ভিতৰত বিষয়বস্তুৰ ঐক্য, ভাৱৰ ঐক্য আৰু অন্যান্য আঙ্গিক বৈশিষ্ট্যৰ বাবে সাৰ্থক গল্প 'ব্যৰ্থতাৰ দান' " — এই মন্তব্যৰ যথাৰ্থতা বিশ্লেষণ কৰা। ১৪

৩। (ক) হলীৰাম ডেকাৰ 'ৰে বড়ে ভাই' গল্পটোত প্ৰকৃতি আৰু নিয়তি কি ভূমিকা গ্ৰহণ কৰিছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱা। ১৪

*অথবা*

(খ) ছৈয়দ আব্দুল মালিকৰ 'প্ৰাণ পোৱাৰ পিছত' গল্পটোৰ কোনবোৰ বৰ্ণনাই গল্পটোক শিথিলবন্ধী কৰি তুলিছে বিচাৰ কৰা। ১৪

৪। (ক) ভৱেন্দ্ৰনাথ শইকীয়াৰ ‘গ্ৰহণ’ গল্পটোত জীৱনবোধৰ সূক্ষ্মতা আৰু কাৰণ্য কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা। ১৪

*অথবা*

(খ) নিৰুপমা বৰগোহাঞিৰ ‘এনথ্ৰপলজিৰ সপোনৰ পাছত’ গল্পটিত নাৰীমনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰ কেনেদৰে প্ৰকাশ পাইছে তাৰ এটি সমীক্ষা আগবঢ়োৱা। ১৪

৫। (ক) মনোজ কুমাৰ গোস্বামীৰ ‘নিৰ্বান্ধৱ’ গল্পটিত আধুনিক জীৱনৰ নিসঙ্গতাবোধ কিমান গভীৰভাৱে ব্যক্ত হৈছে উপযুক্ত নিদৰ্শনসহ বিচাৰ কৰা। ১৪

*অথবা*

(খ) অপূৰ্ব শৰ্মাৰ ‘বাঘে টাপুৰ ৰাতি’ গল্পটিৰ প্ৰতীকী ব্যঞ্জনা আৰু জীৱনৰ ৰহস্যময়তা কেনেদৰে উপস্থাপিত হৈছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱা। ১৪

৬। চমুটোকা লিখা ঃ *(যিকোনো দুটা)* ৫×২=১০

(ক) সাধুকথা আৰু চুটিগল্প

(খ) চুটিগল্পৰ আৰম্ভনি আৰু সমাপ্তি

(গ) এড্‌গাৰ এলেন পো

(ঘ) পৰিৱেশ প্ৰধান চুটিগল্প।

---

Paper : ASM-4096

১। (ক) ১৯৬০ চনলৈকে অসমীয়া সমালোচনা সাহিত্যৰ এটি ৰূপৰেখা আঁকিবলৈ যত্ন কৰা। ১৬

*অথবা*

(খ) অসমীয়া সমালোচনাত মাৰ্ক্সবাদী সাহিত্য তত্ত্বৰ ৰূপায়ণ দেখুওৱা। ১৬

২। (ক) বাণীকান্ত কাকতিৰ 'দহিকতৰা'ত ৰমন্যাসিক সাহিত্যতত্ত্বৰ প্ৰভাৱ প্ৰদৰ্শন কৰা। ১৬

*অথবা*

(খ) তীৰ্থনাথ শৰ্মাৰ 'ৰাহস্যিক মাধৱদেৱ'ত সংস্কৃত কাব্যতত্ত্বৰ প্ৰতিধ্বনি ফঁহিয়াই দেখুওৱা। ১৬

৩। (ক) 'আধুনিক কাব্যৰ উন্মেষ' প্ৰবন্ধটিৰ আলমত ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ সমালোচনা ৰীতিৰ বৈশিষ্ট্য নিৰূপণ কৰা। ১৬

*অথবা*

(খ) 'অজিৎ বৰুৱাৰ জেংৰাই ১৯৬৩' ত নতুন সমালোচনা ৰীতি কিদৰে অনুসৃত হৈছে দেখুওৱা। ১৬



৪। (ক) 'অৱশ্যে এইবুলিও ক'ব পাৰি যে কল্পনা বিলাসৰ ভাব-ভাষা অসমীয়া চেতনা-প্ৰবাহত তেতিয়াও উদয় হোৱাৰ পৰা দূৰৈত আছিল।' — ড° কবীন ফুকনৰ 'অৰুণোদইৰ কাব্যজগতত আধুনিকতাৰ উন্মেষণ' প্ৰবন্ধৰ আধাৰত এই সমালোচনাত্মক উক্তিটোৰ ব্যাখ্যা আগবঢ়োৱা। ১৬

*অথবা*

(খ) হৰেকৃষ্ণ ডেকাৰ সমালোচনাত বিশ্লেষণশীলতাৰ ভূমিকা সম্পৰ্কে তুমি পঢ়া তেওঁৰ ৰচনা এখনৰ আধাৰত বিচাৰ কৰা। ১৬

৫। চমুটোকা লিখা ঃ ***(যিকোনো দুটা)*** ৮×২=১৬

(ক) বিৰিঞ্চি কুমাৰ বৰুৱাৰ নাট্য-সমালোচনা

(খ) 'ঐতিহ্য আৰু জীৱনৰ বাটত' প্ৰবন্ধত 'জীৱনৰ বাটত' উপন্যাসখনৰ মহত্বৰ প্ৰকাশ

(গ) শংকৰদেৱৰ 'হৰমোহন'ত বৌদ্ধতন্ত্ৰৰ প্ৰভাৱ

(ঘ) 'অসমীয়া কবিতাৰ কুৰিটা বছৰ' প্ৰবন্ধত নৱকান্ত বৰুৱাৰ কবিতাৰ মূল্যায়ন।

Total number of printed pages–3

14 (ASM-4) 4016

**2018**

**ASSAMESE**

Paper : ASM-4016

***(Textual Criticism and Manuscript Reading)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) পাঠ সমীক্ষাৰ কেইটামান প্ৰচলিত সংজ্ঞা উল্লেখ কৰা আৰু তোমাৰ মতেৰে উপযুক্ত সংজ্ঞাটি আলোচনা কৰা। ৫+১০=১৫

*অথবা*

(খ) পাঠ সমীক্ষাৰ উদ্দেশ্য, পৰিসৰ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১৫

২। (ক) পাঠ কাক বোলে? ই কেই প্ৰকাৰ আৰু কি কি? বহলাই আলোচনা কৰা। ১৫

*অথবা*

(খ) পাঠ সমীক্ষাৰ আধুনিক পদ্ধতিয়ে সামৰি লোৱা চাৰিটা স্তৰ বহলাই আলোচনা কৰা। ১৫

৩। (ক) "অসমত সমীক্ষাত্মক পাঠ অধ্যয়নৰ পৰম্পৰা" — শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা। ১৫

*অথবা*

(খ) পুৰণি পুথিৰ পাঠ অধ্যয়নৰ ক্ষেত্ৰত ড° মহেশ্বৰ নেওগৰ কৰ্মপদ্ধতি কেনে আছিল আলোচনা কৰা। ১৫


৪। (ক) পুৰণি অসমীয়া পুথিৰ লিখনকলা আৰু লিপি সম্বন্ধে এটি নিবন্ধ যুগুত কৰা। ৫+১০=১৫

*অথবা*

(খ) পুৰণি অসমীয়া সচিত্ৰ পুথিৰ বিষয়ে এটি সমীক্ষামূলক আলোচনা আগবঢ়োৱা। ১৫

*Contd.*

৫। নিম্নলিখিত পাঠাংশ আধুনিক অসমীয়ালৈ লিপান্তৰ কৰা। ৮





৬। চমু টোকা লিখা : *(যিকোনো তিনিটা)* ৪×৩=১২

(ক) সমীক্ষা সামগ্ৰী

(খ) অধিসমীক্ষা

(গ) কালিৰাম মেধিৰ পাঠ সম্পাদনা

(ঘ) পুৰণি অসমীয়া পাণ্ডুলিপি

(ঙ) চিত্ৰভাগৱত

(চ) অসমীয়া লিপি।

---